**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-09-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ ৫৪ সংখ্যক বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে এই বৈঠকত অধ্যক্ষতা কৰিছে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ জুন মাহত অনুষ্ঠিত এই পৰিষদৰ পূৰ্বৰ বৈঠকত তীখা, লো আৰু এলুমিনিয়ামৰ সকলো গাখীৰৰ কেনত ১২ শতাংশ জি এছ টি ধাৰ্য কৰা হৈছিল। বৈঠকত ভাৰতীয় ৰে'লৱেই প্ৰদান কৰা বিভিন্ন সেৱাসমূহত জি এছ টি আৰোপ নকৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছিল। এই সেৱাসমূহৰ ভিতৰত প্লেটফৰ্ম টিকট বিক্ৰী, ৰিটায়াৰিং ৰুম, জিৰণি চ'ৰা আৰু বেটাৰী চালিত বাহনৰ সেৱা আদি আছে।

০০০০০০০০

ৰাজ্যখনত বান নিয়ন্ত্ৰনত সহায় হোৱাকৈ জলসম্পদ বিভাগে কেইবাটাও স্থানত জলাশয় উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণৰ সিদ্ধান্ত লৈছে। ইয়াৰ বাবে ৯টা স্থান বাছনি কৰি প্ৰাৰম্ভিক গৱেষণা আৰু ক্ষেত্ৰ পৰিদৰ্শনৰ কাম অব্যাহত ৰখা হৈছে। আজি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই বিভাগীয় মুখ্য অভিযন্তা আৰু সকলো সংমণ্ডলৰ অভিযন্তাৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে বৈঠকত মিলিত হৈ এই বিষয়ে আলোচনা কৰে। এই আলোচনাকালত ৰাজ্য চৰকাৰৰ বিশেষ মুখ্য সচিব ছৈয়দ্দিন আববাচিও উপস্থিত থাকে। এই বৈঠকত ৰাজ্যখনৰ বান খহনীয়াৰ সমস্যা নিয়ন্ত্ৰণৰ বাবে উপায় উদ্ভাৱন সন্দৰ্ভত খৰচি মাৰি আলোচনা কৰা হয়। জলসম্পদ মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত বিষয়া-কৰ্মচাৰীসকলে গ্ৰহণ কৰা ভূমিকাক প্ৰশংসা কৰে।

০০০০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে দেশজুৰি ৰূপায়ণ কৰা সদস্য ভৰ্তি অভিযানৰ অংশ হিচাপে আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গুৱাহাটীত ১০ খন জিলাৰ দলীয় সভাপতি, মণ্ডল সভাপতি আৰু সদস্য ভৰ্তি অভিযানৰ কৰ্ম-কৰ্তাসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আলোচনা কৰে। তেওঁ লগতে এই অভিযানৰ সবিশেষ বুজ লৈ বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, আজি এই অভিযানৰ অংশ হিচাপে দলীয় নেতৃত্বই ডিব্ৰুগড়কে ধৰি ৰাজ্যৰ ১০ খন জিলাৰ তদাৰকৰ দায়িত্ব তেওঁক অৰ্পণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিকশিত আৰু সমৃদ্ধিশালী ভাৰত গঢ়াৰ লক্ষ্যৰে দলটোৰ সৈতে জনসম্পৰ্ক শক্তিশালী কৰিবলৈ নতুন সদস্য ভৰ্তি অভিযান তীব্ৰতৰ কৰি তোলাৰ বাবে মন্ত্ৰীগৰাকীয়ে সকলো কাৰ্যকৰ্তাক আহ্বান জনায়।

০০০০০০০০

ৰাজ্যিক নিযুক্তি আয়োগৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি পৰীক্ষাৰ বাবে লখিমপুৰ জিলাৰ পৰীক্ষা কেন্দ্ৰসমূহত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত জিলা দণ্ডাধীশগৰাকীয়ে লিখিত পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰসমূহত এই নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসোৰে পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত প্ৰাৰ্থী আৰু পৰীক্ষাৰ দায়িত্ব নিয়োজিত কৰ্মচাৰীৰ বাহিৰে অন্য লোকৰ সমাবেশত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। কোনো প্ৰাৰ্থীয়ে মোবাইল ফোন বা আন কোনো ধৰণৰ ডিজিটেল যোগাযোগৰ মাধ্যম পৰীক্ষা কেন্দ্ৰসমূহলৈ নিব নোৱাৰিব। প্ৰাৰ্থীসকলে কেলকুলেটৰ,

পেন ড্ৰাইভ, কাগজ, পাঠ্যপুথি বা অন্য কোনো অসৎ উপায় অৱলম্বন কৰা সামগ্ৰীও কেন্দ্ৰলৈ নিব নোৱাৰিব। এই আদেশ অমান্য কৰাসকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'বৌ বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

০০০০০০০০

সন্তান সম্ভৱা, মাতৃ আৰু শিশুৰ সুস্বাস্থ্য নিশ্চিত কৰাৰ লক্ষ্যৰে ৰাজ্যৰ ভিন্ন প্ৰান্তত ৰাষ্ট্ৰীয় পোষণ মাহৰ অধীনত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ফেকামাৰী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ত আজি ৰাষ্ট্ৰীয় পোষণ মাহৰ উদ্বোধন কৰা হয়। জিলাখনৰ ২০৪খন অংগনবাড়ী কেন্দ্ৰক লৈ পোষণ মাহৰ শুভাৰম্ভ কৰা হয়। প্ৰতিখন অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাসকলে প্ৰসূতি আৰু শিশুসকলৰ মাজত পুষ্টিকৰ খাদ্য গ্ৰহণৰ বাবে সজাগতা আনিবলৈ আলোচনা কৰে। ইয়াৰ লগতে ৰাষ্ট্ৰীয় পোষণ মাহৰ সৈতে সংগতি ৰাখি পুষ্টিকৰ খাদ্য মেলাৰো আয়োজন কৰা হয়।

০০০০০০০০

ৰাষ্ট্ৰীয় গ্ৰামীন বিকাশ নীধিৰ উদ্যোগত গ্ৰামাঞ্চলৰ মহিলাসকলক চৰকাৰী কল্যাণকামী আঁচনিসমূহৰ সন্দৰ্ভত সজাগ কৰাৰ লক্ষ্যৰে আজি মৰিগাঁও জিলাৰ মায়ং উন্নয়ন খণ্ডত এখন সজাগতা সভা অনুষ্ঠিত হয়। উন্নয়ন খণ্ডটোৰ বিভিন্ন গাঁৱৰ অসম ৰাজ্যিক গ্ৰামীন জীৱীকা অভিযানৰ সখীসকলে অংশ লোৱা এই সভাত নাবাৰ্ড আৰু অন্য বেংকৰ উপৰি কৃষি, গ্ৰামোন্নয়ন আদি বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সমল ব্যক্তিসকলে কেন্দ্ৰীয় চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ দ্বাৰা যাতে মহিলাসকল উপকৃত হ'ব পাৰে তাৰ প্ৰতি সজাগ হ'বলৈ আহ্বান জনায়।

০০০০০০০০

**সমাপ্ত**